**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-04-2026
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

অসম বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান কাইলৈ সন্ধিয়া ৫ বজাৰ পৰা সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিব। ভোটগ্ৰহণ শেষ হোৱাৰ ৪৮ ঘণ্টা পূৰ্বে কাৰ্যকৰী হোৱা এই নিষেধাজ্ঞা ১৯৫১ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ১২৬ নম্বৰ ধাৰা অনুসৰি জাৰি কৰা হৈছে। এই সময়ছোৱাত ৰাজহুৱা সভা, শোভাযাত্ৰা, ইলেকট্ৰনিক অথবা সামাজিক মাধ্যমৰ জৰিয়তে কৰা প্ৰচাৰকে ধৰি সকলো ধৰণৰ নিৰ্বাচনী প্ৰচাৰ নিষিদ্ধ কৰা হ'ব। নিৰ্বাচন আয়োগে ইলেকট্ৰনিক মাধ্যমত মতামত সমীক্ষা আৰু জৰীপৰ ফলাফলকে ধৰি নিৰ্বাচন সম্পৰ্কীয় বিষয়বস্তু প্ৰদৰ্শন কৰাটো বাধা আৰোপ কৰিছে। অসমৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে সকলো প্ৰাৰ্থী, ৰাজনৈতিক দল আৰু সংবাদ মাধ্যমক এই নীতি নিৰ্দেশনা কঠোৰভাৱে মানি চলিবলৈ আহ্বান জনাইছে। নিৰ্বাচন আয়োগে ৯ এপ্ৰিলৰ দিনা ৰাজ্যখনৰ সকলো জনসাধাৰণকে নিৰ্ভয়ে ভোটদান কৰি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে।

০০০০

অসম বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ কাইলৈ অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজ্যৰ তিনিটা স্থানত প্ৰচাৰ চলায়। প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি আগবেলা বৰপেটা ৰোডত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। সভাত দিয়া ভাষণত তেওঁ দেশক বিকশিত আৰু আত্মনিৰ্ভৰ কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত আলোকপাত কৰে। শ্ৰীমোদীয়ে কয় যে, বিগত ১০ বছৰত অসমত শান্তি আৰু উন্নয়নৰ পৰিৱেশে বিৰাজ কৰিছে। এই দশকটোত জনসাধাৰণে নিৰাপত্তাহীনতা পৰিবেশৰ পৰা সকাহ লাভ কৰিছে বুলি তেওঁ কয়। আন্তঃগাঁথনি উন্নয়নৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, ৰাজ্যখনত যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ ফলত পৰ্যটনক্ষেত্ৰৰ বিকাশ হৈছে। তেওঁ ৰাজনৈতিক প্ৰক্ৰিয়াত মহিলাসকলৰ অধিক অংশগ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

প্ৰধানমন্ত্ৰীয়ে আজি হোজাইৰ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে তেওঁ ডিব্ৰুগড়ত নিৰ্বাচনী প্ৰচাৰ চলায়।

দলৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও আজি ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰত অংশ গ্ৰহণ কৰে।

কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি বৰাকৰ দুখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লয়। কাইলৈ শ্ৰীখাৰ্গে এখন সংবাদমেল সম্বোধন কৰিব। কংগ্ৰেছ দলৰ নেতা গৌৰৱ গগৈ আৰু দেৱব্ৰত শইকীয়াও ব্যাপক প্ৰচাৰ চলাই আছে।

জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি বিশ্বনাথৰ বিহালীত বিজয় সংকল্প সভাত অংশ লয়। বিজেপি দলৰ নেতা জে পি নাড্ডাই আজি ডুমডুমা সমষ্টিত প্ৰচাৰ সভাত অংশ লয়। ৰূপাই হাইস্কুল খেলপথাৰত আয়োজিত সভাত শ্ৰীনাড্ডাই চৰকাৰৰ কল্যাণমূলক কাম-কাজসমূহৰ বিষয়ে উল্লেখ কৰে। ০০

০০০০

আসন্ন নিৰ্বাচন নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে পৰিচালনাৰ বাবে অসম আৰক্ষী সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে। ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে আজি এখন সংবাদমেলত এটা পৰ্যায়ত হ'বলগীয়া এই নিৰ্বাচন ঐতিহাসিক বুলি মন্তব্য কৰাৰ লগতে নিৰ্বাচন স্বচ্ছ আৰু নিকাভাৱে পৰিচালনা কৰিবলৈ সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰা হৈছে বুলি উল্লেখ কৰে। তেওঁ লগতে জনসাধাৰণক গণতন্ত্ৰৰ এই উৎসৱত অংশ ল'বলৈ আহ্বান জনায়।

**বাইট (হৰমিত সিং)**

ৰাজ্যৰ বিভিন্ন জিলা প্ৰশাসনে নিৰ্বাচন শান্তিপূৰ্ণ আৰু ক্ৰুটিমুক্তভাৱে অনুষ্ঠিত কৰিবলৈ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০

বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যজুৰি কাইলৈ সন্ধিয়া ৫ বজাৰ পৰা ৯ এপ্ৰিলৰ সন্ধিয়া ৫ বজালৈ সম্পূৰ্ণৰূপে সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। জিলা প্ৰশাসনসমূহে এই সময়ছোৱাত সুৰাপান আৰু বিক্ৰী তথা মজুতকৰণ নিষিদ্ধ কৰিছে। তদুপৰি ৪ মে'ৰ ভোটগণনা দিনাও ভোটগণনা সম্পূৰ্ণ নোহোৱা পৰ্যন্ত সুৰা নিষিদ্ধ ঘোষণা বলৱৎ থাকিব। এই সময়ছোৱাত কোনো লোকে ব্যক্তিগতভাৱে সুৰা মজুত কৰি ৰাখিলে ১৯৫১ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ধাৰা অনুসৰি কঠোৰ ব্যৱস্থা লোৱা হ'ব।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ, পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। টছত জিকি কলকাতা নাইট ৰাইডাৰ্ছে প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি ৩ অভাৰ ৪ টা বলত ২ টা উইকেটৰ বিনিময়ত ২৫ ৰান সংগ্ৰহ কৰাৰ পাছতে বৰষুণৰ বাবে বৰ্তমান খেল স্থগিত ৰখা হৈছে।

প্ৰতিযোগিতাত কাইলৈ গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত ৰাজস্থান ৰয়েলছ আৰু মুম্বাই ইণ্ডিয়ানছৰ মাজত হ'বলগীয়া খেলখনৰ বাবে সকলো ধৰণৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। ইতিমধ্যে গুৱাহাটীত আহি উপস্থিত হোৱা দুয়োটা দলৰে কিছু সংখ্যক সদস্যই আজি ষ্টেডিয়ামত অনুশীলন চলায়।

উল্লেখযোগ্য যে অসম সন্তান ৰিয়ান পৰাগৰ নেতৃত্বত ৰাজস্থান ৰয়েলছে আই পি এলৰ এইবাৰৰ সংস্কৰণৰ এতিয়ালৈকে খেলা দুয়োখন খেলতে জয়লাভ কৰিছে। কাইলৈৰ খেলখনৰ বাবে ৰাজ্যৰ ক্ৰিকেট অনুৰাগীসকলৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ